# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-09 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

প্ৰসিদ্ধ শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশতে শিক্ষক দিৱস উদযাপন কৰা হয়।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰে। এই অনুষ্ঠানতে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা ছখন মহাবিদ্যালয়ৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে এইবাৰ পাণ্ডু মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, মৰিগাওঁ মহাবিদ্যালয়, গড়গাওঁ মহাবিদ্যালয় আৰু দিশপুৰ মহাবিদ্যালয়ে NAAC-ৰ এ-গ্ৰেড লাভ কৰিছে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে সহযোগী এন চি চি বিষয়া হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়োৱা ৪ গৰাকী সহযোগী অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জ্ঞাপন কৰে। গৱেষণাৰ জৰিয়তে নিজস্ব আৱিষ্কাৰ বা উদ্ভাৱনৰ বাবে পেটেণ্ট লাভ কৰা ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ অধ্যাপকসকলকো আজি সম্বৰ্ধনা জনোৱা হয়। তদুপৰি মৌলিক গৱেষণাৰে পেটেণ্ট লাভ কৰিবলৈ সক্ষম হোৱা ৪ খন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা ধেমাজী, শিৱসাগৰ আৰু মাজুলিৰ লগতে বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

ইপিনে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰিব। এইবাৰ দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হ'ব। ইয়াৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষক আছে। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা অঞ্চল নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে এই সন্মানীয় কৃতী শিক্ষক বঁটাৰ বাবে বাছনি লাভ কৰিছে।

ooooo

সমগ্ৰ ৰাজ্যতে আজি বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। মৰিগাওঁ জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত জিলাখনৰ শ্ৰেষ্ঠ বিদ্যালয়ৰ বঁটা প্ৰদান কৰা হয়। মৰিগাওঁ মজলীয়া বিদ্যালয় আৰু মৰিসুঁতি টোপ নতুন প্ৰাথমিক বিদ্যালয়ে এই বঁটা লাভ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান কুলধৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকে। গোৱালপাৰা চহৰত

নটসূৰ্য্য ফণী শৰ্মা ভৱনত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ পৰা বাচনি কৰা ২৪ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হয়।

ইপিনে শিক্ষক দিৱসৰ দিনটোতে আজি সদৌ অসম অপ্ৰাদেশিকীকৃত মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক শিক্ষক সন্থাই কেইবা দফীয়া দাবীৰে লতাশিল খেলপথাৰত অৱস্থান ধৰ্মঘট কৰে। শিক্ষকসকলে তেওঁলোকৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়। কাছাৰ জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ভৱনত আয়োজিত কাৰ্যসূচীত জিলাখনৰ ২৫ গৰাকী কৃতী শিক্ষকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কাছাৰ জিলাৰ আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। এই বৈঠকত সকলো উচ্চ পদস্থ বিষয়াৰ লগতে প্ৰতিখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সকলে এই বৈঠকত অংশ লয়। সঞ্চালক প্ৰধান গৰাকীয়ে বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে অসম আৰক্ষীক দেশৰ শীৰ্ষ পাঁচটা আৰক্ষী বাহিনীৰ ভিতৰত অন্তৰ্ভূক্ত কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে। ইয়াৰ বাবে আৰক্ষী বাহিনীৰ আন্তঃগাঁথনি নিৰাপত্তা ব্যৱস্থা আৰু সেৱাৰ উন্নয়ন সন্দৰ্ভত গুৰুত্ব দিয়া হৈছে বুলি তেওঁ কয়। জনসাধাৰণক সুৰক্ষা দিয়াৰ লগতে ক্ষীপ্ৰতাৰে সেৱা আগবঢ়োটোৱেই অসম আৰক্ষীৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। অসমত অনুপ্ৰেৰশকাৰীক ৰোধ কৰাৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে সদায় সক্ৰিয় হৈ আছে বুলিও তেওঁ কয়।

০০০০০

অসমত অহা ২২ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। ৪০টা সমষ্টিৰ বাবে মুঠ ৩৮৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। বাক্সা জিলাৰ মুঠ ৬৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। কোকৰাঝাৰ জিলাত ১৩২ গৰাকী আৰু তামুলপুৰ জিলাত মুঠ ৫০গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হিচাপে বিবেচিত হয়। চিৰাং জিলাত ৬৩গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। জিলাখনৰ এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হয়। ওদালগুৰি জিলাত মুঠ ৭৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হয়। উল্লেখযোগ্য যে বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

অসম চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

০০০০০

সমাপ্ত